Participation, conservation, empowerment, livelihood security

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# নাহৰণি ধেমাগড় যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি)

**হাৰমতি বনাঞ্চলিক, লখিমপুৰ বন সংমণ্ডল**

**উত্তৰ অসম চক্ৰ**

# ক্ষুদ্ৰ পৰিকল্পনা

**(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)**

**নাহৰণি ধেমাগড় যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE) আৰু আৰ জি ভি এন (RGVN) ]**

Approved

Divisional Forest Officer
Lakhimpur Division

জুন, ২০১৭

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ এফ ডি (AFD) | এজেন্সি ফ্ৰেন্সাইজি ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প (আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ পভাৰ্টী লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টী লাইন) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ (চেণ্টাৰ ফৰ মাইক্ৰ'-ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল' (COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ডি এফ অ' (DFO) | সাংমণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ-উন্নয়ন সমিতি (ইক' ডেভেলপমেণ্ট ছ'চাইটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইট্ছ এক্ট) |
| এফ ভি (FV) | বনগাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GoI) | ভাৰত চৰকাৰ (গভৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (GP) | গাঁও পঞ্চায়ত |
| এইচ এ (Ha) | হেক্টৰ |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন প্ৰবন্ধন সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য পিছপৰা শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰী হেল্‌থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰাম্য পৰিমাপ (পাৰ্টিচিপেটৰী ৰুৰেল এপ্ৰাইজেল) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| এছ ডি জি (SDG) | বহনক্ষম উন্নয়ন লক্ষ্য (ছাছটেইনেবল ডেভেলপমেণ্ট গ'ল্‌ছ) |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |

# নাহৰিণ ধেমাগড় যুটীয়া বন পৰিচালনা সমিতি
## হাৰমতি বনাঞ্চলিক, লখিমপুৰ বন সংমণ্ডল

## ১০ বছৰৰ বাবে ক্ষুদ্র পৰিকল্পনা
## (জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা)

সূচীপত্র


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ১ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ২ |
| ৩ | জীৱিকাৰ সুবিধা বিশ্লেষণ | ৬ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১২ |
| ৫ | বন উন্নয়ন পৰিকল্পনা | ১৩-২৭ |
| | **পৰিশিষ্ট তালিকা**<br>জীৱিকা সৃষ্টি কাৰ্যসূচীৰ বাবে চিহ্নিত হিতাধিকাৰীৰ প্ৰস্তাৱিত তালিকা<br>i) মৌ পালন<br>ii) বয়ন আৰু চিলাই কাম | ২৮-৫৫ |

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্প সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন্ ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ উদ্দেশ্য হৈছে— 'নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ অংশগ্ৰহণেৰে আৰু বনজ আৰু বনজবহিৰ্ভূত সম্পদৰ বহনক্ষম ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সু-সংহত পৰিকল্পনাৰে অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা।' প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল জনগোষ্ঠীসমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br><br>এই প্ৰকল্পটোলৈ আৰ্থিক অনুদান আগবঢ়াইছে এজেন্সী ফ্ৰান্সিজ ডি ডেভেলপমেণ্ট অৰ্থাৎ ফ্ৰান্স ডেভেলপমেণ্ট এজেন্সীয়ে। সহযোগ কৰিছে অসম চৰকাৰে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, নিৰীক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাকে ধৰি সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন ছ'চাইটী। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br><br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰাৰপ্ৰিনিঅ'ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন), আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br><br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান... বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **নাগৰিহণ ধেমাগড় জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ লখিমপুৰ জিলাত অৱস্থিত নাহৰাণি ঢেমাগড় যুটীয়া বন পৰিচালনা সমিতি জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত সন্নিবিষ্ট হৈছে। এই যুটীয়া বন পৰিচালনা সমিতি উত্তৰ অসম সংমণ্ডলৰ অধীনত ৰঙা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত। গাঁওবাসী অসমীয়া আৰু নেপালী জনগোষ্ঠীৰ। সংৰক্ষিত বনাঞ্চল বিশেষকৈ মজলীয়া আৰু অলপ ডাঙৰ গছ, জোপোহা, লতা আদিৰে ঢকা। কাষৰীয়া ঠাইবোৰত বাঁহ-বেত পোৱা যায়। |

| | |
|---|---|
| | ইয়াৰ জন-গাঁঠনিৰ পাৰ্শ্বচিত্ৰ পাছৰ শাখাত দিয়া হৈছে।বৰ্তমানৰ ক্ষুদ্ৰ পৰিকল্পনা পুৰুষ আৰু মহিলা সমন্নিতে জন-গাঁঠনিৰ কিছু সভ্যৰ দ্বাৰা তৈয়াৰ কৰা হৈছে। অংশীদাৰী গ্ৰাম্য মূল্যাংকণ [Participatory Rural Appraisal –PRA] হিচাপে প্ৰকাশিত এই নথি ইণ্ডিয়ান ইনষ্টিটিউট অব এণ্ট্ৰ'প্ৰেনিয়ৰশ্বিপ(আই আই ই) গুৱাহাটীৰ এপ্ৰিল ২০১৭ ৰ ফলাফল। এই ক্ষুদ্ৰ পৰিকল্পনা ইণ্ডিয়ান ইনষ্টিটিউট অব এণ্ট্ৰ'প্ৰেনিয়ৰশ্বিপ-এ যুগুত কৰা প্ৰকল্প নিৰ্দেশনাৰ ভিত্তিত যুগুত কৰি উলিয়াইছে।এই নথি ২০১৭ চনৰ এপ্ৰিল মাহৰ বাবে আলোচনা কৰি চুড়ান্ত হিচাপে গ্ৰহণ কৰা হৈছে। |

## ২। বগলী জে এফ এম চিৰ আৰ্থ-সামাজিক ৰূপৰেখা

| | |
|---|---|
| **অৱস্থিতি** | অসমৰ লখিমপুৰ জিলাৰ হাৰমতি ৰেঞ্জ মহকুমাৰ ৰঙা সংৰক্ষিত বনাঞ্চলৰ নিকটত অৱস্থিত নাহৰাণি ঢেমাগড় গাঁৱৰ অধিবাসীসকলক সামৰি নাহৰাণি ঢেমাগড় যুটীয়া বন পৰিচালনা সমিতি গঠন কৰা হৈছে। উক্ত যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত লখিমপুৰ জিলাৰ নাওবৈছা কৰ চক্ৰও পৰিছে।<br>পৰিশিষ্ট-I ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে। |
| **মূল তথ্য** | **জে এফ এম চিৰ মূল্য তথ্য তলত উল্লেখ কৰা হ'ল ঃ**<br>**তালিকা (ক) ঃ জে এফ এম চিৰ মূল তথ্য** |

| | |
|---|---|
| **জে এফ এম চিৰ নাম** | নাহৰাণি ঢেমাগড় |
| **বসতিস্থান** | নাহৰাণি ঢেমাগড় |
| **গাঁও পঞ্চায়ত/ভিচিডিচিৰ নাম** | ফুলবাৰী গাঁও পঞ্চায়ত |
| **ৰাজহ চক্ৰ** | নাওবৈছা |
| **জিলা** | লখিমপুৰ |
| **বন সংমণ্ডল** | লখিমপুৰ |
| **বন আঞ্চলিক** | হাৰমতী |
| **বন লাট** | ফুলবাৰী |
| **গঠনৰ বছৰ** | ২০০৫-২০০৬ |
| **জে এফ এম চিৰ চাৰিসীমা** | তলত উল্লেখ কৰা হ'ল ঃ<br>উত্তৰ ঃ ৰঙা সংৰক্ষিত বনাঞ্চল<br>দক্ষিণ ঃ ২নং ঢেমাগড় গাঁও<br>পশ্চিম ঃ ২নং ঢেমাগড় গাঁও (বা সোণোৱাল গাঁও )<br>পূব ঃ ৰঙা সংৰক্ষিত বনাঞ্চল<br>আৰু ৰাজগৰালি গাঁও |

**উৎস** ঃ জে এফ এম চি তথ্য আৰু ২০১৭ৰ মাৰ্চত অনুষ্ঠিত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা।

অতিৰিক্ত তথ্য নথি-I ৰ তালিকা-১ত প্ৰদান কৰা হৈছে। (পৰিশিষ্ট দ্ৰষ্টব্য)

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>নাহৰিণ ঢেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>
তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>গিৰিন্দ্ৰ উপাধ্যায়</td></tr>
<tr><td>সদস্য সচিবৰ নাম</td><td>কনক চন্দ্ৰ বৰুৱা</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>গিৰিন্দ্ৰ উপাধ্যায়</td></tr>
<tr><td rowspan="3">কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>পুৰুষ ঃ ১৪</td></tr>
<tr><td>মহিলা ঃ ১</td></tr>
<tr><td>মুঠ ঃ ১৫</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>২০০ (জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ একোজন প্ৰাপ্তবয়স্ক ইয়াত প্ৰতিনিধি হিচাপে ৰখা হৈছে)</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ নথি</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনগাঁথনি</td>
<td>গাঁওখনত বাস কৰা পৰিয়ালৰ সংখ্যা হৈছে ২০০টা। মহিলা মুৰব্বীৰ নেতৃত্বত চলা পৰিয়াল নাই। গাঁওখনৰ মুঠ জনসংখ্যা হৈছে ১০১০জন। ইয়াৰে ৬২৪জন পুৰুষ আৰু ৩৮৬গৰাকী মহিলা। এই বাসিন্দাসকলৰ মাজত আছে অসমীয়া, সোণোৱাল, বড়ো আৰু নেপালী সম্প্ৰদায়ৰ মানুহ।<br><br>
তথ্য ঃ ১ আৰু তালিকা-২ ত ইয়াৰ বিৱৰণ দিয়া হৈছে।<br><br>
ইয়াৰ পৰা জনা যায় যে ঃ<br><br>
১) প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা হৈছে ৫জন (২০০টা পৰিয়ালৰ)<br><br>
২) গাঁওখনৰ লিংগ অনুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ২৪১৫গৰাকী মহিলা। গাঁওখনৰ মহিলাৰ শতকৰা হাৰ (৭৪ শতাংশ) ।</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা উন্নয়ন</td>
<td>শিক্ষা আৰু দক্ষতা বিকাশ  মুঠ জনসংখ্যাৰ ৭১ শতাংশ শিক্ষিত। বেছিভাগ লোকেই বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰে শিক্ষিত আৰু কিছু অংশই মহাবিদ্যালয় পৰ্যায়ৰ  শিক্ষা লাভ কৰিছে।<br>
আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুই ধৰণে জীৱিকাৰ দক্ষতাসমূহ আহৰণ কৰা হয়। জে এফ এম চিৰ ক্ষেত্ৰত, আনুষ্ঠানিক মানে হৈছে দক্ষতা বিকাশৰ পৰম্পৰাগত পদ্ধতি। নিম্নোক্ত  ক্ষেত্ৰসমূহত মানুহৰ দক্ষতা আছে ঃ<br>
ক) চাহ বাগিচাত মজুৰি-শ্ৰম<br><br>
খ) বাঁহ আৰু বেত<br><br>
গ) কৃষি<br><br>
ঘ) বয়ন<br><br>
ঙ) চিলাই</td>
</tr>
</table>

| | |
|---|---|
| | চৰকাৰে ৰাষ্ট্ৰীয় শিতানৰ দৰে ৰাজ্যিক শিতানতো আনুষ্ঠানিকভাৱে দক্ষতা বৃদ্ধিৰ বাবে সক্ৰিয় ভূমিকা লৈছে।তথাপিও, গাঁওখনে এই দিশত ভালেখিনি পিছ পৰি আছে। প্ৰকল্প এলেকাৰ মাটি এনেধৰণৰ ঃ |
| **মাটি** | গেদীয় পলসুৱা আৰু সাৰুৱা মাটি।<br>■ সমূদায় ভূমিভাগ সাৰুৱা হোৱা বাবে ই বিভিন্ন ধৰণৰ খেতিৰ উপযোগী। |
| **পানী** | পানী এলেকাটোত কোনো নদী নাই। অঞ্চলটো লখিমপুৰ জিলাৰ হাৰমতি ক্ষেত্ৰৰ ভিতৰুৱা। মহাবাহু ব্ৰহ্মপুত্ৰই জিলাখনৰ দক্ষিণ আৰু দক্ষিণ-পূৰ সীমা চুই গৈছে। অঞ্চলটো একাংশ সোৱণশিৰি অৱবাহিকাৰ অন্তৰ্গত। |
| **জলবায়ু ঃ<br>উষ্ণতা আৰু বৰষুণ** | গ্ৰীষ্মকালত অঞ্চলটোৰ সৰ্বোচ্চ তাপমাত্ৰা হৈছে ৪০ ডিগ্ৰী চেলচিয়াছ। শীতকালত সৰ্বনিম্ন তাপমাত্ৰা হৈছে ৯-১৫ ডিগ্ৰী চেলচিয়াছ।<br>বাৰিষা কালত অঞ্চলটোত যথেষ্ট বৰষুণ হয় যদিও জাৰকালি বৰষুণৰ পৰিমাণ অত্যন্ত কম। প্ৰতিবছৰে বাৰ্ষিক বৰষুণৰ পৰিমাণ হৈছে ৩২০০-৩৪০০ মিলিমিটাৰ। বাৰিষাৰ সময়ছোৱাত (জুন-ছেপ্টেম্বৰ) সাধাৰণতে তিনি চতুৰ্থাংশ বৃষ্টিপাত হয়।<br>আৰ্দ্ৰতাৰ পৰিমাণ অত্যধিক, প্ৰায় ৯২শতাংশৰো অধিক। শীতকালত আৰ্দ্ৰতাৰ পৰ্যায় হৈছে ২০ শতাংশৰ তলত। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলক বহলকৈ বৰ্ষাৰণ্য আৰু ঘন অৰণ্য — এই দুই ভাগত ভগাব পাৰি। ইয়াৰ<br>মূলত ঃ হোলোং (অসমৰ আটাইতকৈ ওখ গছ আৰু জাতীয় বৃক্ষ), অমাৰি, ধূনা, আজাৰ, ভেলকৰ, বগীপমা, শিলিখা, তিতাচঁপা, ইন্ধনজাতীয় গছ আৰু নানান ঔষধি গছ পোৱা যায়। বনাঞ্চল উন্নতিকৰণ পৰিকল্পনাত বিতঙকৈ এই বিষয়ে দিয়া আছে। গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট ২ ত বহলাই উল্লেখ কৰা হৈছে। এই পৰিশিষ্ট অনুসৰি পৰ্যবেক্ষণ কৰা কিছু গুৰুত্বপূৰ্ণ তথ্য নিম্নলিখিত ধৰণৰ ঃ |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | ধাননী পথাৰ ঃ ৪২.২৮ শতাংশ<br>ক্ষতিগ্ৰস্ত বনভূমি ঃ ১০ শতাংশ<br>ৰোপিত এলেকা (ব্যক্তিগত) ঃ ২.৮০ শতাংশ<br>পথ ঃ ৩.০৮ শতাংশ<br>সংস্থাপন দিয়া এলেকা ঃ ২৭.৫৭ শতাংশ<br>ছন পৰা মাটি ঃ ১৪.৫৩ শতাংশ |
| **ভূমি মালিকানাৰ ধৰণ** | প্ৰতিটো পৰিয়ালৰ ভূমি মালিকানাৰ ধৰণ **তথ্য-(I)ৰ তালিকা-৩ত** উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>■ ৫ শতাংশ পৰিয়াল ভূমিহীন (১ হেক্টৰ)<br>■ ৮৬ শতাংশ পৰিয়াল উপান্ত কৃষক। (১৭২ হেক্টৰ)<br>■ ৯ শতাংশ পৰিয়াল ক্ষুদ্ৰ খেতিয়ক। (১৭ হেক্টৰ) |
| **পশুধন** | নাহৰণি ধেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ মুঠ পশুধনৰ সংখ্যা হৈছে ২৪৭০টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা পশুধনৰ প্ৰকাৰ হৈছে এনেধৰণৰ ঃ |

| | |
|---|---|
| | গাইগৰু — ২০০টা<br>ছাগলী — ৫০০টা<br>কুকুৰা — ৩০০টা<br>বলধ — ২৩০টা<br>হাঁহ — ২০০টা<br>গাহৰি — ১২০টা<br>ওপৰত উল্লিখিত তথ্যৰ সবিশেষ বিৰৰণ **তথ্য-(I)**ৰ **তালিকা-৪**ত দাঙি ধৰা হৈছে। |
| **গাঁৰৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনবসতি অঞ্চলতে সাধাৰণ আন্তঃগাঁথনিৰ উপলব্ধতাই জীৱিকাৰ বহনক্ষম উপায় বিকাশত সহায় কৰে। গাঁওখনত বৰ্তমানৰ আন্ত:গাঁঠনি সন্তোষজনক নহয়। গাঁওখনৰ বৰ্তমানৰ আন্ত:গাঁঠনি এনেধৰণৰ —<br>**তথ্য-(I)**ৰ **তালিকা-৫**ত গাঁৰৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে।<br>এই তালিকাৰ পৰা গাঁওখনৰ বৰ্তমানৰ আন্তঃগাঁথনি সন্দৰ্ভত তলৰ তথ্যসমূহ লাভ কৰিব পাৰি ঃ<br>**বস্তুগত আন্তঃগাঁথনি ঃ** এই শিতানৰ অন্তৰ্গত পকা আলিবাট, বিদ্যুত সংযোগ, পানী যোগান আৰু মোবাইল সংযোগ আদিৰ দৰে নিচেই বুনিয়াদী প্ৰয়োজনখিনিৰ ব্যৱস্থা আছে।বাট-পথৰ বেছিভাগেই কেঁচা।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** সীমিত সংখ্যক শিক্ষানুস্থান, স্বাস্থ্যকেন্দ্ৰ আছে আৰু সেইবোৰো প্ৰায় ৰপ্ত কিলোমিটাৰ দূৰত্বত অৱস্থিত।ৰাজহুৱা পৰিবহণৰ ব্যৱস্থা নাই। সংযোগকাৰী সদস্যই যাতায়তৰ বাবে চাইকেল বা মটৰ চাইকেল ব্যৱহাৰ কৰে।<br>**চৰকাৰী কাৰ্যালয় ঃ** আৰক্ষী থানা, গাঁও পঞ্চায়তৰ কাৰ্যালয়, ৰাজহ চক্ৰ কাৰ্যালয়, বন লাট কাৰ্যালয় আদি বেছিভাগ চৰকাৰী কাৰ্যালয়েই ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ অন্তৰ্গত।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** বেংক, ডাকঘৰ আদি বিত্তীয় অনুষ্ঠানৰ সুবিধা ৫ কিলোমিটাৰ আঁতৰৰ হাৰমতিতহে আছে। সংযোগকাৰী সদস্যসকলৰ দূৰৈৰ ঠাইতো একাউণ্ট আদি আছে। |
| **কৃষিশস্য** | নাহৰণী ধেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ কৃষিশস্যৰ সবিশেষ **তথ্য-(I)**ৰ **তালিকা-৬**ত বিশদভাৱে উল্লেখ কৰা হৈছে।<br>উক্ত তালিকাৰ পৰা তলৰ তথ্যসমূহ তলত উল্লেখ কৰা হ'ল—<br>খাৰিফ শস্য ঃ ধান (আইজং, পঙ্কজ, বাও, জহা, বৰা)<br>ৰবি শস্য ঃ সৰিয়হ, মটৰমাহ, আলু<br>অন্যান্য ঃ আম, কঁঠাল, কবি, বেঙেনা, জলকীয়া, বিলাহী, ৰঙালাও, জাতিলাও, নেমু আদি।<br>অধিকাংশ শস্যৰ উৎপাদন বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |

| | |
|---|---|
| **শস্য উৎপাদন** | নাহৰিণ ধেমাগড় যুটীয়া বন পৰিচালনা সমিতিত শস্যৰ উৎপাদন আৰু উৎপাদনৰ হাৰৰ সবিশেষ **তথ্য-(I)ৰ তালিকা-৭ত** উল্লেখ কৰা হৈছে।<br>গাঁৱৰ সৰ্বাধিক পৰিয়াল ধান, পাচলি, ফল আৰু চাহ উৎপাদনত জড়িত।<br>উৎপাদিত শস্য আৰু ইয়াৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল—<br>ক) ধান ঃ উৎপাদন ঃ ৭৫৬০ কুইন্টল হাৰ ঃ ১৩২.৬৩ হেঃ/কুঃ<br>খ) পাচলি ঃ উৎপাদন ঃ ১৫৫ কুইন্টল হাৰ ঃ ০.৬৩ হেঃ/কুঃ<br>গ) ফলমূল ঃ উৎপাদন ঃ ৬২ কুইন্টল হাৰ ঃ ০.৯৬ হেঃ/কুঃ |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **তথ্য-(I)ৰ তালিকা-৮ত** সন্নিৱিষ্ট কৰা হৈছে। জে এফ এম চিখনৰ পশুখাদ্যৰ মূল উৎসসমূহ হৈছে ঃ<br>ক) শস্যৰ অৱশিষ্টাংশ<br>খ) বনাঞ্চলৰ চৰণীয়া এলেকা<br>গ) গছ-গছনিৰ পাত।<br>ঘ) সেউজ খাদ্য<br>ঙ) ঘাঁহ। |
| **বজাৰ** | নাহৰণি ধেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **তথ্য-(I)ৰ তালিকা-৯ত** উল্লেখ কৰা হৈছে। গাঁওবাসীয়ে ব্যৱহাৰ কৰা বজাৰসমূহ হৈছে ঃ<br>ক) গেলামাল/সুলভ মূল্যৰ দোকান ঃ বাহিৰত, গাঁৱৰ পৰা ২০০ মিঃ নিলগত<br>খ) সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ ঃ ২ কিলোমিটাৰ দূৰত দোলাহাটত<br>গ) প্ৰধান বজাৰ ঃ ৩০ কিলোমিটাৰ দূৰত লখিমপুৰত।<br>ঘ) মাছৰ বজাৰ ঃ ৭ কিলোমিটাৰ দূৰত দোলাহাটত। |
| **জলসম্পদ** | **তথ্য-(I)ৰ তালিকা-১০ত** জলসম্পদৰ বিষয়ে সন্নিৱিষ্ট কৰা হৈছে। পানী উপলব্ধ হোৱা প্ৰধান জল সম্পদসমূহ এনেধৰণৰ ঃ<br>(ক) পুখুৰী ঃ (পানীৰ উপলব্ধতা — বাৰমহীয়া/ঋতুকালীন)<br>(খ) নলী নাদ ঃ (পানীৰ উপলব্ধতা - বাৰমহীয়া/ঋতুকালীন)<br>(গ) ৰিং নাদ ঃ (পানীৰ উপলব্ধতা - বাৰমহীয়া/ঋতুকালীন) |
| **শক্তিৰ ব্যৱহাৰ** | নাহৰিণ ধেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ শক্তিৰ মূল উৎসসমূহ **তথ্য-(I)ৰ তালিকা-১১ত** উল্লেখ কৰা হৈছে।<br>ক) কাঠ-খৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২০০টা, উৎস ঃ বনাঞ্চল<br>খ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৩৫টা, উৎস ঃ মুকলি বজাৰ আৰু সুলভ মূল্যৰ দোকান<br>গ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ৫০টা, উৎস ঃ চৰকাৰ |

| | |
|---|---|
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁওবাসী অসমীয়া আৰু অনুসূচীত জনজাতি, অন্য পিছপৰা জাতি আৰু সাধাৰণ জাতিৰ অন্তৰ্গত। গভীৰ সামাজিক বিভাজন নাই। সমাজত নাৰীৰ স্থান তুলনামূলকভাৱে সিমান সন্তোষজনক নহয়।<br><br>**অৰ্থনৈতিক অৱস্থা ঃ** বিত্তীয় অৱস্থা সন্তোষজনক নহয়। মুখ্য জীৱিকা খেতি-বাতি, দৈনিক মজুৰি,বাঁহ- বেতৰ কাম,তাঁতবোৱা আদি। প্ৰতিটো পৰিয়ালৰ বাৰ্ষিক উপাৰ্জনৰ হাৰ ৬০,০০০ টকাৰ পৰা ৮০,০০০ টকা।<br>কোনো বহিৰাগত নাই। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-Iত সন্নিৱিষ্ট কৰা হৈছে।<br><br>* গাঁৱৰ মানচিত্ৰ (পি আৰ এ-ত অংশগ্ৰহণ কৰা সদস্যসকলৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ) |

## ৩। জীৱিকা সম্পদৰ বিশ্লেষণ

তলত উল্লেখ কৰা মানৰ ভিত্তিত জীৱিকাৰ উপায় সম্পৰ্কীয় ৰূপৰেখাৰ বিশ্লেষণ কৰা হৈছে ঃ

* জীৱিকা সম্পদ
* জীৱিকাৰ পৰিপ্ৰেক্ষিত
* সম্ভাৱনীয় জীৱিকা সম্পৰ্কীয় অগ্ৰাধিকাৰ স্থানাংক

ডি এফ ডি আই-ৰ (ডিপাৰ্টমেণ্ট অব্ ফাণ্ডিং ফৰ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট)ৰ স্থিতিশীল জীৱিকা ৰূপৰেখাৰ ভিত্তিত পি আৰ এ অনুশীলনৰ সময়ত নাহৰিণ ধেমাগড় জে এফ এম চিৰ জীৱিকাৰ পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। জে এফ এম চিৰ বৰ্তমান জীৱিকা পৰিস্থিতি নিম্নোক্ত বিষয়সমূহৰ ভিত্তিত চিহ্নিত কৰা হৈছে ঃ

* প্ৰাকৃতিক মূলধন
* বস্তুগত মূলধন
* সামাজিক মূলধন
* মানৱ সম্পদ
* আৰ্থিক মূলধন

## ৪। প্ৰাকৃতিক সম্পদ

ৰঙা সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত হাৰমতি ৰেঞ্জৰ অন্তৰ্গত নাহৰাণি ঢেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ মূল প্ৰাকৃতিক মূলধন হৈছে হোলোং, বগীপমা, শিলিখা, তিতাচঁপা, ইন্ধনজাতীয় আৰু ঔষধজাতীয় গছ আদি। অঞ্চলটোত ২০টা মান পুখুৰী আৰু বিলান্দী নামৰ এটা জুৰি আছে।

জনসংখ্যাৰ অধিকাংশই অৰণ্যৰ কাঠখৰি, সেউজীয়া পশুখাদ্য, কাঠ আদিৰ ওপৰত নিৰ্ভৰশীল। পশুপালন আৰু খেতি-বাতিৰ বাবে গএঞা ৰাইজে নদীৰ পানী ব্যৱহাৰ কৰে।

(অধিক বিৱৰণ এফ ডি পিৰ **তালিকা ১০,১১ আৰু ৩ত** উল্লেখ কৰা হৈছে।)

## ৫। বস্তুগত মূলধন

নাহৰাণি ঢেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ অধিকাংশ পৰিয়াল খেতি-বাতিৰ কামত আৰু একাংশ ২ হেক্টৰতকৈও কম ভূমিৰে সামান্য কৃষি-কৰ্মত ব্যস্ত হৈ থাকে।

**৩ নং তালিকাত (পৰিশিষ্ট-৬)**ত উল্লেখ কৰা হৈছে।

যুটীয়া বন পৰিচালনা সমিতিখনত ২৮টা অৰ্ধ-পকী ঘৰ আছে। পকী ঘৰ আছে ৭টা। বাকীবোৰ কেঁচা ঘৰ। গাঁওবাসীসকলে জৈৱিক ইন্ধন, কেৰাচিন, বিদ্যুৎ, এল পি জি আৰু সৌৰ শক্তি আদি বিভিন্ন প্ৰকাৰৰ উৎসৰ শক্তি ব্যৱহাৰ কৰে। ঘৰুৱা চাহিদাৰ বাবে আৰু অন্যান্য কামত ব্যৱহাৰৰ বাবে গাঁওবাসীয়ে খৰি আৰু কেৰাচিনৰ ওপৰত নিৰ্ভৰ কৰে।

কিছুসংখ্যক পৰিয়ালৰ এল পি জি সংযোগ আছে যদিও কিন্তু এল পি জিৰ ওপৰত তেওঁলোকৰ নিৰ্ভৰশীলতা অতি কম **(দ্ৰষ্টব্য-১০ আৰু ১১ নং তালিকা)**।

জে এফ এম চি এলেকাত কোনো শিক্ষা প্ৰতিষ্ঠান নাই।

গাঁও বাসিন্দাসকলে তেওঁলোকৰ সন্তানক ডেৰ কিলোমিটাৰ নিলগৰ কাচজুলি গাঁৰত থকা প্ৰাথমিক বিদ্যালয়ত শিক্ষাদানৰ ব্যৱস্থা কৰে। **(দ্ৰষ্টব্য-৫ নং তালিকা)**।

জলসম্পদৰ ক্ষেত্ৰত কোনো পৰিয়ালে টিউবৱেলৰ পানী ব্যৱহাৰ কৰাৰ সুযোগ পোৱা নাই।

## ৬। সামাজিক মূলধন

নিজৰ স্থিতি, কাৰ্যকুশলতা আৰু পাব লগা বিশেষ লাভালাভৰ প্ৰতি গাঁওবাসী সজাগ নোহোৱাৰ বাবে তেওঁলোক যুটীয়া বন পৰিচালনা সমিতি বা পৰিৱেশ উন্নয়ন সমিতিৰ কাৰ্যাৱলীত জড়িত নহয়।

যুটীয়া বন পৰিচালনা সমিতিৰ নাৰীকোষে নিজৰ উপাৰ্জনৰ উপৰিও সামাজিক স্থিতি উন্নীতকৰণৰ বাবে গঠন কৰিছে।তেওঁলোকে এই সামাজিক সংগঠনৰ বাবে গাঁৰৰ ৪টা ৰাজহুৱা নামঘৰ,৩টা অংগনৱাড়ী কেন্দ্ৰ আৰু চাৰিটা মন্দিৰৰ প্ৰাংগণ ব্যৱহাৰ কৰে।

## ৭। মানৱ সম্পদ

যুটীয়া বন পৰিচালনা সমিতিখনৰ ২৯ শতাংশ লোক শিক্ষিত আৰু ৬১ শতাংশ লোক নিৰক্ষৰ

**৩.৩ নং তালিকা দ্ৰষ্টব্য)**।

## ৮। আৰ্থিক মূলধন

জে এফ এম চি অথবা ইয়াৰ নিকটৱৰ্তী এলেকাত কোনো চৰকাৰী বেংক বা ঋণদাতা প্ৰতিষ্ঠান নাই। গাঁওবাসীসকলে অনানুষ্ঠানিক ঋণদানকাৰী গোট, আত্মীয়বৰ্গ আদিৰ পৰা ঋণ লয়।

বাণিজ্যিক বেংকসমূহত ৭২৩জন লোকৰ বেংক একাউণ্ট আছে যদিও কিন্তু এইবোৰ বেংক গাঁৱৰ পৰা যথেষ্ট নিলগত। আৰ্থিকভাৱে দুৰ্বল হোৱা বাবে বেংক একাউণ্টবোৰ চলাই যাব পৰা অৱস্থাত নাই আৰু বিত্তীয় প্ৰতিষ্ঠানবোৰৰ জৰিয়তে ল'ব পৰা সুবিধা সম্পৰ্কে তেওঁলোক সজাগ নহয়।

তলত উল্লেখ কৰা মানৱ ভিত্তিত কঁঠালতলি জে এফ এম চিৰ জীৱিকাৰ কাম-কাজবোৰ চিহ্নিত কৰা হৈছে।

* জে এফ এম চি-ৰ মুঠ উপাৰ্জনত নিৰ্দিষ্ট জীৱিকাৰ কাম-কাজৰ জৰিয়তে যোগোৱা অৱদান
* জীৱিকাৰ নিৰ্দিষ্ট কামত জড়িত উপাৰ্জনকাৰী গোটৰ শতাংশ হাৰ
* সম্ভাৱনীয় জীৱিকাৰ উপায়ৰ অগ্ৰাধিকাৰ স্থানাংক

## ৯। পি আৰ এ অনুশীলনৰ জৰিয়তে অগ্ৰাধিকাৰ স্থানাংক (ৰেংকিং)

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | গুৱাহাটীৰ আই আই ই-ৰ দলে নাহৰণি ধেমাগড় জে এফ এম চিত পি আৰ এ অনুশীলন সম্পন্ন কৰে। ইয়াৰ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ<br>তাৰিখ ঃ ১৪ মাৰ্চ, ২০১৭<br>স্থান ঃ বগলী মুকলি পথাৰ<br>উপস্থিত লোকৰ সংখ্যা ঃ ৪৫<br>উপস্থিত থাকে ঃ জে এফ এম চি-ৰ সভাপতি, জে এফ এম চি-ৰ সদস্য সচিব, বন বিভাগৰ কৰ্মচাৰীসকল, জে এফ এম চিৰ বিষয়ববীয়াসকল আৰু গাঁওবুঢ়া। |
| **পি আৰ এৰ উদ্দেশ্য** | বৰ্তমান পৰিয়ালসমূহৰ অৱস্থা সম্পৰ্কে অধ্যয়ন আৰু সম্প্ৰদায়ৰ জীৱিকা উন্নয়ন আৰু বনাঞ্চল উন্নয়নৰ কাৰণে অন্যান্য প্ৰাথমিক তথ্য সংগ্ৰহ কৰাই আছিল এই অনুশীলনৰ উদ্দেশ্য। |
| **পি আৰ এৰ ফলাফল আৰু ব্যৱহাৰ কৰা আহিলা** | বিভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছে আৰু ফলাফল সংগ্ৰহ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে ঃ<br>সামাজিক মানচিত্ৰাযণ (মেপিং)<br>সম্পদৰ স্থানাংক নিৰ্দ্ধাৰণ (ৰেংকিং)<br>সময়কালীন সমীক্ষা<br>জীৱিকাৰ ঋতুকালীনতা<br>ভেন ডায়েগ্ৰাম<br>চাপাটি ডায়েগ্ৰাম<br>(**পৰিশিষ্ট-** ৩ত ওপৰৰ বিষয়বোৰ সম্পৰ্কে বিতং তথ্য আগবঢ়োৱা হৈছে। |
| **স্থানাংক (ৰেংকিং)** | নিম্নোক্ত বিষয়ত স্থানাংক (ৰেংকিং) নিৰ্দ্ধাৰণ কৰা হৈছে ঃ<br>* প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)<br>* জীৱিকা আৰু দক্ষতা উন্নয়ন |

ই পি এ-ৰ স্থানাংক (৩৭ নং পৃষ্ঠা দ্ৰষ্টব্য)

| স্থানাংক | স্থানাংক অনুসৰি গাঁৱৰ ইপিএ | বিতং বিৱৰণ | ধনৰ সম্ভাব্য উৎস / বিভাগ |
|---|---|---|---|
| ১ | ৰাজহুৱা সভাঘৰ | অৱস্থিতি - গাঁৱৰ আৰু সামাজিক সভা-সমিতিৰ বাবে এটা নতুন ৰাজহুৱা সভাঘৰ উন্নত কৰিব লাগিব। | এ পি এফ বি চি |
| ২ | খোৱাপানীৰ যোগান | গাঁৱখনত খোৱাপানী যোগানৰ যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব | এ পি এফ বি চি /এন আৰ ডি ডব্লিউ পি |
| ৩ | সৌৰ বেৰ | হাতীৰ উপদ্ৰৱ ৰোধৰ বাবে ৰোপিত এলেকাত এটা সৌৰ বেৰ নিৰ্মাণ কৰিব লাগিব | এ পি এফ বি চি |
| ৪ | বিদ্যুৎ | জে এফ এম চিৰ ভিতৰ এলেকা ন্যূনতম ২২ টা পৰিয়ালক বিদ্যুৎ সংযোগ দিব পৰাকৈ বাৰটা বিদ্যুতৰ খুঁটাৰ সম্প্ৰসাৰণ | এ পি এফ বি চি |
| ৫ | গাঁৱৰ পথ | জে এফ এম চি ভিতৰ এলেকাত দ' ঠাইত মাটি ভৰাই দুই কিলোমিটাৰত পথ নিৰ্মাণৰ ব্যৱস্থা | পি এম জি এছ ৱাই /পি ডব্লিউ ডি /এ পি এফ বি চি |
| ৬ | টেণ্ট হাউছ | চকী আৰু বাচন বৰ্তনসহ এটা টেণ্ট হাউছ | এ পি এফ বি চি |
| ৭ | জৈৱ গেছ প্ৰকল্প | গাঁৱত বায়ু গেছ প্ৰকল্প স্থাপন কৰিব লাগিব | এ পি এফ বি চি |

* জীৱিকা কাৰ্যকলাপ বৃদ্ধিৰ বাবে ই পি এ নিধিৰ পৰা দুই লাখ টকা চলিত মূলধনৰ জা-যোগাৰ কৰিব লাগিব।

* জে এফ এম চিৰ পৰিসীমাৰ ভিতৰত যন্ত্ৰপাতি, সা-সজুলি আদি স্থাপন আৰু সচল কৰাৰ বাবে এটা নিম্ন উচ্চতাৰ ৰাজহুৱা কৰ্মগৃহৰ শ্বেড তথা জে এফ এম চি-ৰ কাৰ্যালয় স্থাপন কৰিব লাগিব।

| | |
|---|---|
| | **জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক**<br>১. চাহবাগিচাৰ মজুৰি শ্রম<br>২. বাঁহ আৰু বেতৰ কাম<br>৩. পশুপালন<br>৪. হস্ততাঁত<br>৫. চিলাই কাম |
| **জীৱিকাৰ সুযোগ সুবিধা** | জীৱিকাৰ সুযোগসমূহ তলত উল্লেখ কৰা হ'ল ঃ<br>১. চাহবাগিচাৰ মজুৰি শ্রম<br>২. বাঁহ আৰু বেতৰ কাম<br>৩. পশুপালন<br>৪. হস্ততাঁত<br>৫. চিলাই কাম<br>ওপৰত উল্লেখিত বিষয়বোৰ সম্পৰ্কে অধিক আলোচনা তলত উল্লেখ কৰা হৈছে। |
| **কৃষি আৰু উদ্যান শস্য** | কৃষি আৰু উদ্যানশস্যৰ ক্ষেত্ৰত সুযোগ সম্পৰ্কে তথ্যসমূহ নথি-২ৰ **তালিকা-১২**ত পাব ঃ<br>**প্ৰধান প্ৰধান বাধাবোৰ ঃ**<br>ক) কীটনাশক পতংগনাশক দৰবৰ অতি কম ব্যৱহাৰ।<br>খ) জলসিঞ্চন ব্যৱস্থাৰ অভাৱ।<br>গ) কৃষি আন্তঃগাঁথনি, আধুনিক সা-সঁজুলি, যেনে ঃ পাৱাৰটিলাৰ, ট্ৰেক্টৰ আদিৰ অভাৱ।<br>ঘ) অধিক উৎপাদনশীল বীজ ব্যৱহাৰ নকৰা।<br>**সুযোগসমূহ ঃ**<br>ক) উপযুক্ত আৰু নিয়ন্ত্ৰিতভাৱে কীট আৰু পতংগনাশক দৰবৰ ব্যৱহাৰ<br>খ) নতুন আৰু অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ<br>গ) সুসংগঠিত প্ৰশিক্ষণ কৰ্মসূচী<br>পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ হৈছে ঃ<br>* ট্ৰেক্টৰ চালনা প্ৰশিক্ষণ।<br>* কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী।<br>* কীট-পতংগ নাশক, সংকৰ প্ৰজাতিৰ শস্য খেতি আদি বিষয়ত প্ৰশিক্ষণ |
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **তালিকা-১৩**ত দিয়া হৈছে।<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশু খাদ্য ক্ৰয়ৰ অক্ষমতা<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টা অংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰ ধৰি সেউজ পশুখাদ্য পাবলৈ নাই।<br>গ) কোনো পশু চিকিৎসা কেন্দ্ৰ নাই।<br>ঘ) যথোপযুক্তভাৱে পশুপালনৰ বিষয়ে জ্ঞানৰ অভাৱ। |

| | |
|---|---|
| | **সুযোগসমূহ ঃ**<br>ক) পশুপালন-প্ৰজননৰ জৰিয়তে অধিক উৎপাদন<br>খ) অধিকাংশ লোক এই কামতে নিযুক্ত<br><br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>১. ধূপকাঠি<br>২. চিলাই কাম<br>৩. বয়ন |
| **কাঠ ভিন্ন বনজ উৎপাদন (এন টি এফ পি)** | এন টি এফ পিৰ সযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তাৰিকা-১৪**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) এন টি এফ পি-ৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কে পৰ্যাপ্ত জ্ঞানৰ অভাৱ<br>খ) উচ্চ উৎপাদনশীল প্ৰজাতিৰ উন্নয়ন আৰু গাৰ্হস্থ্য জীৱনত ব্যৱহাৰৰ সম্পৰ্কে গৱেষণাৰ অভাৱ<br>গ) কাৰিকৰী জ্ঞানৰ ব্যৱস্থা নাই।<br>ঘ) প্ৰক্ৰিয়াকৰণ ইউনিট নাই।<br>ঙ) প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মী আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ অভাৱ।<br>চ) স্থানীয়ভাৱে সা-সঁজুলি উৎপাদনৰ ব্যৱস্থা নাই।<br>**সুযোগসমূহ ঃ**<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা<br>খ) উৎপাদিত সামগ্ৰীৰ উপলব্ধ বজাৰ<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) খাদ্য উদ্ভিদৰ খেতি<br>খ) ভেষজ উদ্ভিদ আদি |
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য নথি-২ৰ **তাৰিকা-১৫**ত দিয়া হৈছে<br>**প্ৰধান বাধাসমূহ ঃ**<br>ক) বিবিধ প্ৰকাৰ উৎপাদনৰ অভাৱ<br>খ) উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ<br>গ) টি কিউ এম কলাকৌশলৰ অভাৱ<br>**সুযোগসমূহ ঃ**<br>ক) ভাল বাণিজ্যিক সুবিধা প্ৰদান<br>খ) দক্ষতা আহৰণকাৰীৰ প্ৰশিক্ষণ<br>গ) চৰকাৰৰ তৰফৰ পৰা বিত্তীয় সাহায্য<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>* আধুনিক যন্ত্ৰপাতি, সা-সজুঁলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* দক্ষতাৰ উন্নতকৰণ আৰু নতুন উৎপাদনৰ বিকাশ আৰু বিবিধ প্ৰকাৰৰ উৎপাদনৰ বাবে প্ৰশিক্ষণ<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান |

| | |
|---|---|
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত নথি-২ৰ **তালিকা-১৬ত** আলোচনা কৰা হৈছে<br>**প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ ঃ**<br>ক) আৰ্থিক অন্তৰ্ভুক্তি<br>খ) বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুদ ধাৰ্য কৰা<br>**সুযোগসমূহ ঃ**<br>ক) আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন (আত্মসহায়ক/জে এল জি গঠন আৰু সেইবোৰৰ সৈতে বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ সংযোগ স্থাপন)<br>খ) পৰ্যাপ্ত সজাগতা<br>গ) আধুনিক সা-সজুঁলিৰ (ট্ৰেক্টৰ আদি) কাৰণে ঋণৰ সুবিধা প্ৰদান<br>**পৰামৰ্শ দিয়া কৰ্মসূচীসমূহ ঃ**<br>ক) নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>**১) কৃষি আৰু উদ্যান শস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী, কীটনাশক, পতংগ নাশক, শংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>**২) পশুধন ঃ** হাঁহ-কুকুৰা আৰু গৰু-ম'হ-ছাগলী, গাহৰি আদি পালন আৰু প্ৰজনন।<br>**৩) এন ডব্লিউ এফ পি ঃ** বিভিন্ন প্ৰকাৰৰ খাদ্য-উদ্ভিদ, ভেষজ উদ্ভিদ আদিৰ খেতি।<br>**৪) বিশেষ দক্ষতা ঃ** আধুনিক যন্ত্ৰপাতি আৰু সা-সুঁজলি সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান, দক্ষতা উন্নয়ন আৰু সামগ্ৰী উৎপাদনসহ আন বিবিধ প্ৰকাৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান, কেঁচামালৰ ভঁৰাল স্থাপন, প্ৰতিষ্ঠানিক ক্ৰেতাসকলৰ সৈতে উৎপাদিত সামগ্ৰীৰ বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ।<br>**৫) ঋণৰ ব্যৱস্থা ঃ** নিকটৱৰ্তী এলেকাত ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

## ১০। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাৰ্যসূচী** | জে এফ এম চিৰ বাবে পৰিকল্পনা কৰা মূল উপাৰ্জন সৃষ্টি কাৰ্যসূচীসমূহ হ'ল ঃ<br>**কৃষিখণ্ড ঃ**<br>১) চাহ বাগিচাত মজুৰি শ্ৰম<br>২) কৃষিপাম<br>৩) উদ্যান শস্য<br>**কৃষি বৰ্হিভূত খণ্ড ঃ**<br>১) ইলেক্ট্ৰিচিয়ান<br>২) কাঠৰ কাম<br>৩) চিলাই |
| **আত্মসহায়ক গোটৰ কৰ্মসূচী** | গাঁওখনৰ আত্মসহায়ক গোটবোৰে তলৰ কৰ্মসূচী সম্পৰ্কে পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ |

| | |
|---|---|
| **শিক্ষামূলক ভ্ৰমণ** | নিম্নোক্ত শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে ঃ<br>**উৎস ঃ** নথি-৪ৰ **তালিকা-৩৪**ত। |
| **কৰ্মআঁচনিৰ সাৰংশ** | পৰৱৰ্তী পৃষ্ঠাত উল্লেখ কৰা ধৰণে। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি।<br><br>ক) ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি- গ্ৰামীণ নিয়োগৰ বাবে<br><br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)- কৃষি আৰু কৃষিজাত উন্নয়নৰ বাবে<br><br>গ) স্বৰ্ণজয়ন্তী গ্ৰাম স্ব-ৰোজগাৰ যোজনা (SJGSY)-জলসিঞ্চন আৰু জলচ্ছেদ উন্নয়নৰ বাবে<br><br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান<br><br>ঙ) দক্ষতা উন্নয়ন আঁচনি<br><br>চ) গ্ৰামীণ উন্নয়ন আৰু জীৱিকাৰ বাবে উপযুক্ত অন্যান্য আঁচনি<br><br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণৰ পৰৱৰ্তী কালতো সহায় কৰিব। |

## ১১। বগলী জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনা

নাহৰণি ধেমাগড় জে এফ এম চিৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক স্থিতিশীল ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

নাহৰণি ধেমাগড় জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপণ/ৰোপণৰ বাবে নিৰ্ধাৰিত সম্প্ৰদায়ৰ ভূমি আৰু অন্যান্য ভূমি, অধিসূচিত বনাঞ্চল এলেকাৰ বাহিৰত

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ প্ৰফৰ্মা-৩ৰ অধীনত তালিকা-৩.১ত দাখিল কৰা হৈছে (**'বনোন্নয়ন পৰিকল্পনা'**), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, কঁঠালতলি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰাংশ কৰা হৈছে।

**তালিকা-১ ঃ ন-খুঁটি জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| আৰ এফ / পি এফ, নাম ঃ ৰঙা সংৰক্ষিত বনাঞ্চল<br>লাট ঃ বগলী | ৭০ | ৪ | ভাল এলেকা ঃ ২০ হেঃ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | ৬-৯মাহ |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| অৱস্থিতি ঃ<br>বনাঞ্চলৰ ধৰণ ঃ বৰ্যাৰণ্য<br>ভি এফ / অন্যান্য | | | | |
| **মুঠ** | ৭০ | | ভাল এলেকা ঃ ২০ হেঃ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫০ হেক্টৰ | |

**উৎস ঃ প্ৰফৰ্মা-৩, তালিকা ৩.১**/বন বিষয়া আৰু গাঁওবাসীৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে নাহৰণি ধেমাগড় জে এফ এম চিৰ অন্তৰ্গত ৭০ হেক্টৰ বনাঞ্চল, য'ত ৫০ হেক্টৰ 'ভাল' আৰু ২০ হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

**১.২। বনাঞ্চলৰ মাটিৰ প্ৰকাৰ ঃ**

নাহৰণি ধেমাগড় জে এফ এম চিৰ বনাঞ্চল পাললিক প্ৰকৃতিৰ ভূমিত অৱস্থিত। তলৰ তালিকাত এই বনভূমিৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ২ ঃ নাহৰণি ধেমাগড় জে এফ এম চিৰ বনভূমিৰ প্ৰকাৰ**

| **স্থিতি মাপ** | **ন্যস্ত বনাঞ্চলৰ অৱস্থা** | **বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা** |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ৪.৩ ৰ পৰা ৬.৯৪ শতাংশ জৈৱিক। এন, পি ২০৫, কে-২০ মৌলৰ পৰ্যাপ্ততা এই ভূমিত তুলনামূলকভাৱে কম | — |
| ভূমি ক্ষয়ৰ অৱস্থা | উচ্চ | — |
| উপস্থিতি ঃ<br>(ক) পলশ | ৩% | — |
| (খ) বোকামাটি | ৩৭% | — |
| (গ) ন-উৰ্বৰ ভূমি | কম | — |
| (ঘ) বালিচাহি | ৬০% | |

**উৎস ঃ প্ৰফৰ্মা-৩, 'খ। বনভূমি প্ৰকাৰ'** / বন বিভাগৰ বিষয়া আৰু স্থানীয় গাঁওবাসীৰ সৈতে হোৱা আলোচনা।

বগলী জে এফ এম চিৰ বাবে বনভূমিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) এণ্টিছ'ল (৩২.৩%)

খ) ইনছেপ্টিছ'ল (৪৯.৩%)

গ) এলফিছ'ল (১২.৩%)

ঘ) আল্টিছ'ল (৬.১%)

**১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

নাহৰণি ধেমাগড় জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত দিয়া হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলসমূহ সংৰক্ষিত বনাঞ্চলৰ শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ নাহৰণি ধেমাগড় জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

| **প্ৰজাতি** | **স্থানীয় নাম** | **বৈজ্ঞানিক নাম** |
|---|---|---|
| সহযোগী প্ৰজাতি | কদম | নিওলামাৰ্কিয়া কদম্ব |
| | গৰ্জন | ডিপ্টেৰ'কাৰ্পাছ টাৰ্বিনেটাছ |
| গুল্ম | ঢেঁকীয়া | ডিপ্লাজিয়াম এস্কুলেণ্টাম |
| | জাম লাখুটি | ক'ষ্টাছ স্পেচিঅ'ছাছ |
| ভেষজ উদ্ভিদ | ভোমোৰা | টাৰ্মিনেলিয়া বেলেৰিকা |

| | | |
|---|---|---|
| ভেষজ উদ্ভিদ | শিলিখা | টাৰ্মিনেলিয়া চেবুলা |
| | নিম | আজাডিৰাচ্টাইণ্ডিকা |
| | আমলখি | ফিলাম্থাছএম্বেলিকা |
| | জৰী বেত | কেলামাছ ইৰেক্টাছ |
| উৎপাদন | জাতি বেত | কেলামাছ টেনুইছ |
| | ৰাইডাং বেত | কেলামাছ ৰোটাং |
| | চুলি বেত | কেলামাছ ফ্লেগেল্লাম |
| | লেজাই বেত | কেলামাছ ফ্লৰিবাণ্ডুছ |
| | কেঁকু বাঁহ | ডি হেমিল্টনী |
| | পাহাৰীয়া জাতি বাঁহ | অ'ক্সিটেনথেৰা পাৰ্ভিফ'লিয়া |
| | ডলু বাঁহ | শ্বিজষ্টাচিয়ামডুলোৰা |
| | আমলখি | এমব্লিকা অফিচিনেলিছ্ |
| | হলখ | টাৰ্মিনেলিয়া মাইৰিঅ'কাৰ্পা |
| | হোলোং | ডিপটেৰ'কাৰপাছমেক্ৰকাৰপাছ |
| | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | আগৰ | আকুইলাৰিয়াআগাল্লোচা |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ'/ বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

## ২। বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী

তলৰ উপশাখাসমূহত নাহৰণি ধেমাগড় জে এফ এম চিৰ বনোন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচীসমূহ দিয়া হ'ল ঃ

### ২.১। জে এফ এম চিৰ অতীতৰ সুৰক্ষা ব্যৱস্থা

নাহৰণি ধেমাগড় জে এফ এম চিত অতীত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) জড়িত পৰিয়াল ঃ নাই

খ) জড়িত লোক ঃ নাই

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ নাই

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ নাই

**(উৎস ঃ প্ৰফ'ৰ্মা-৩, 'জে এফ এম চিৰ অৱস্থা-** viii + ix' / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

## ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ নাহৰণি ধেমাগড় জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কেনেকৈ চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | নিয়মিত | ৬০-৯০ কিঃ গ্ৰাঃ/বছৰ | - | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | বছৰত এবাৰ | ৬-৯ টা/বছৰ | - | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | - | - | - | - |
| খুঁটা / বাঁহ | বছৰত এবাৰ | ২০-৪০ বাঁহ/বছৰ | - | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | নিয়মিত | ৬০-৮০ কিঃ গ্ৰাঃ/বছৰ | - | বনাঞ্চল |
| এন টি এফ পি | নিয়মিত | ৩-৮ কিঃ গ্ৰাঃ/বছৰ | - | বনাঞ্চল |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.২'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

নাহৰণি ধেমাগড় জে এফ এম চিত মুঠ ৩১০ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি নাহৰণি ধেমাগড় গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজৰ ব্যৱহাৰৰ বাবে তলত দিয়া ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ নাহৰণি ধেমাগড় জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ১২০০০-১৮০০০ | গোটেই বছৰ জুৰি |
| ঘৰৰ বাবে কাঠ | ১২০০০-১৮০০০টা | গোটেই বছৰ জুৰি |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — |
| খুঁটা / বাঁহ | ৪০০০-৮০০০ বাঁহ | গোটেই বছৰ জুৰি |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১২০০০-১৬০০০ | গোটেই বছৰ জুৰি |
| এন টি এফ পি | ৬০০-১৬০০০ | গোটেই বছৰ জুৰি |

**উৎস ঃ ওপৰৰ তালিকা ৪, (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ মুঠ পৰিয়ালৰ সংখ্যা

(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ অনুমানিক পৰিমাণ (তালিকা- ৪ (ক)× ২০০ টা পৰিয়াল

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। বগলী জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ নাহৰণি ধেমাগড় জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | — | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — | — |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | — | — | — | — |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — | — |
| এন টি এফ পি | — | — | — | — |
| অন্যান্য | — | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৩'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন— অতিৰিক্ত তথ্য**
**নাহৰিণ ধেমাগড় জে এফ এম চি**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | — | — | — |
| ঘৰৰ বাবে কাঠ | — | — | — |
| সজুঁলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | — | — | — |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | — | — | — |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৪'**/ বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

২.৪। **বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে**

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত নাহৰণি ধেমাগড় জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**তালিকা- ৬ ঃ নাহৰণি ধেমাগড় জে এফ এম চিৰ গাঁওবাসীৰ বনজ উৎপাদনৰ মুঠ চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা (বাৰ্ষিক কিঃ গ্ৰাঃ) | অতিৰিক্ত বজাৰ দ্ৰব্য (কিঃগ্ৰাঃ) তালিকা ৫ (খ) | মন্তব্য |
|---|---|---|---|
| কাঠখৰি | ১২০০০-১৮০০০ | - | গোটেই বছৰ জুৰি |
| ঘৰৰ বাবে কাঠ | ১২০০-১৮০০টা | - | গোটেই বছৰ জুৰি |
| সজুঁলিৰ বাবে সৰু কাঠ | — | - | — |
| বাঁহ | ৪০০০-৮০০০ | - | গোটেই বছৰ জুৰি |
| খুঁটা | ১২০০০-১৬০০০ | - | ১২০০০-১৬০০০ |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ৬০০-১৬০০ | - | ৬০০-১৬০০ |
| এন টি এফ পি | ১২০০০-১৮০০০ | - | ১২০০০-১৮০০০ |

**উৎস ঃ** এই অধ্যায়ৰ **তালিকা-৪ (খ) আৰু ৫ (খ),** পৰৱৰ্তী পৃষ্ঠাসমূহত দিয়া হৈছে।

## ৩। বন সুৰক্ষা সংক্ৰান্ত বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

বগলী জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ নাহৰিণ ধেমাগড় জে এফ এম চিৰ বন সুৰক্ষা সংক্ৰান্তীয় বিষয়সমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনিভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | হয় | হয় |
| সাপে কামোৰাৰ ঘটনা/জীৱনৰ ভাবুকি/ বন সুৰক্ষাত বিপদ | হয় | হয় |
| ঔষধি গছৰ চুৰি | নহয় | নহয় |

**উৎস ঃ প্ৰফৰ্মা-৩, 'তালিকা-৩.৫'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

সেয়েহে, উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সংক্ৰান্তীয় বিষয়ত সন্মুখীন হোৱা বৈশিষ্ট্যসমূহ হ'ল—

ক) চৰণীয়া পথাৰ— স্থানীয় জন্তু

খ) অন্যান্য এলেকাৰ জন্তু

**৩.২। বনাঞ্চলৰ ক্ষতিৰ কাৰণসমূহ**

নাহৰণি ধেমাগড় জে এফ এম চিৰ বনাঞ্চল ক্ষতিগ্ৰস্ত হোৱাৰ কাৰণসমূহ তলত উল্লেখ কৰা হ'ল ঃ

ক) বিজ্ঞানসন্মত পৰিকল্পনা নাই

খ) জনজাতীয় লোকৰ পৰম্পৰাগত কৃষি-পদ্ধতি

গ) পাহাৰীয়া অঞ্চলত আতংকবাদীৰ দৌৰাত্ম্য

ঘ) বনাঞ্চল অধিগ্ৰহণ

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৬'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

**নাহৰিণ ধেমাগড়** জে এফ এম চিত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্চাৰী উন্নয়ন, ব্যৱস্থাপনা আৰু অতিৰিক্ত ক্ৰিয়া।

**৪.১। সুৰক্ষা পৰিকল্পনা**

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— নাহৰণি ধেমাগড় জে এফ এম চিৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ বগলী জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফ'ৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
| ১.পহৰাদাৰ নিয়োগ | সংৰক্ষিত বনাঞ্চল | ৫কিঃ মিঃ, ৩০ হেক্টৰ | পুৱা৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈকে | মধ্যম |
| ২.অগ্নিকাণ্ড সুৰক্ষা | বনাঞ্চলৰ ভিতৰত | - | শৰত-শীতকাল | উচ্চ |
| ৩.আৱৰ্ত্তনশীল চাৰণ | বনাঞ্চলৰ | - | বাৰিষা কালত | মধ্যম |
| ৪. সামাজিক বেৰ | সীমা | ৰোপিত এলেকাৰ সীমাজুৰি | চৰণীয়াৰ ঋতু | উচ্চ |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'তালিকা-৩.৭'**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এনেকৈ দেখা গ'ল যে, নাহৰণি ঢেমাগড় যুটীয়া বন পৰিচালনা সমিতিৰ অন্তৰ্গত বনাঞ্চলত নিৰাপত্তাৰ বাবে নিম্নোক্ত দিশত পৰিকল্পনা কৰা হৈছে —

ক) ৰাজহুৱা বেৰা

খ) অগ্নি নিৰাপত্তা

গ) ৰখীয়া নিয়োগ

ঘ) আৱৰ্তনশীল চাৰণ

৪.২। **বনাঞ্চল উন্নয়ন — কৰ্ম আঁচনি**

**শাল বৰ্হিভূত সহযোগী প্ৰজাতিসহ বিভিন্ন প্ৰজাতিৰ বৃক্ষৰ ব্লক ৰোপণৰ কৰ্ম আঁচনি**

| | | |
|---|---|---|
| ৰোপণৰ নাম | ঃ | খণ্ড ৰোপণ |
| ৰোপণৰ সময়সীমা | ঃ | ২০১৬-১৭ৰ পৰা ২০২৫-২৬ (১০ বছৰ) |
| ৰোপণৰ এলেকা | ঃ | ২০ হেক্টৰ |
| স্থান ব্যৱধান | ঃ | ৩×৩মিটাৰ, প্ৰতি হেক্টৰত ১১০০ পুলি |
| বৃদ্ধি কৰিবলগীয়া উদ্ভিদৰ সংখ্যা | ঃ | ২২,০০০ (বছৰি আনুমানিক ৫৫০০) |
| ব্লকৰ সংখ্যা | ঃ | ৪টা (প্ৰতিটো ৫ হেক্টৰকৈ) |
| প্ৰজাতি | ঃ | শাল বৰ্হিভূত; সহযোগী প্ৰজাতিৰ অৰ্জুন, চেলেং, পমা, বৰপাত, ওদাল, হলক, সকন, জুটলি, আমাৰী আৰু বলা আদি। |
| হাৰ | ঃ | এ পি এফ বি চি এছৰ দ্বাৰা অনুমোদন ক্ৰমে (প্ৰতি দুবছৰ মূৰে মূৰে কুৰি শতাংশ হাৰত বৃদ্ধি) |

| বন সৃজনৰ বাবে কৰ্ম আঁচনি | | |
|---|---|---|
| বিত্তীয় বৰ্ষ | কাম-কাজ | পৰিমাণ (টকা) |
| | ক) অগ্ৰীম কাম-কাজ | |
| ২০১৬-১৭ | ১. ৰোপণৰ ঠাইৰ প্ৰতম ডোখৰ ৫ হেক্টৰ মাটি জৰীপ (জি পি এছ) আৰু পৰিষ্কাৰকৰণ। ইয়াৰ বাবে দৈনিক ২৮০ টকাকৈ মজুৰিৰ ভিত্তিত ১৫জন দিন মজুৰৰ নিযুক্তি | ২১,০০০/- |
| | ২. নাৰ্ছাৰিৰ স্থানত ৰোপণ। ইয়াৰ বাবে প্ৰতি হেক্টৰত দৈনিক ২৮০টকাকৈ মজুৰিৰ ভিত্তিত প্ৰতি হেক্টৰত ৯ জন দিন মজুৰৰ নিযুক্তি | ১২,৬০০/- |
| | ৩. দুৰ্বল স্থানবোৰত প্ৰতি হেক্টৰত ২০০০ টকা ব্যয় সাপেক্ষে বেৰ নিৰ্মাণ | ৪০,০০০/- |
| | খ) সৃজন আৰু ৰক্ষণাবেক্ষণ | |
| ২০১৭-১৮* | এপ্ৰিল-জুন মাহত ৫ হেক্টৰ মাটি (প্ৰথম ডোখৰ) ৰোপণৰ বাবে প্ৰস্তুত কৰণৰ আৰু ৰোপণ। প্ৰথম বছৰৰ ৰক্ষণাবেক্ষণ আৰু চাৰিবাৰকৈ অপতৃণ নিৰণিৰ লগতে পৰৱৰ্তী বছৰত ৰোপণৰ বাবে দ্বিতীয় ডোখৰ ৫ হেক্টৰ মাটি প্ৰস্তুত কৰিবলৈ অগ্ৰীম কাম-কাজ। ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ৪২০ জন দিন মজুৰৰ নিযুক্তি। | ১,১৭,৬০০/- |
| ২০১৮-১৯* | এপ্ৰিল-জুন মাহত ৫ হেক্টৰ মাটি (দ্বিতীয় ডোখৰ) ৰোপণৰ বাবে প্ৰস্তুত কৰণৰ আৰু ৰোপণ। প্ৰথম বছৰৰ ৰক্ষণাবেক্ষণ আৰু চাৰিবাৰকৈ অপতৃণ নিৰণিৰ লগতে পৰৱৰ্তী বছৰত ৰোপণৰ বাবে তৃতীয় ডোখৰ ৫ হেক্টৰ মাটি প্ৰস্তুত কৰিবলৈ অগ্ৰীম কাম-কাজ। ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ৪২০ জন দিন মজুৰৰ নিযুক্তি। | ১,১৭,৬০০/- |
| | প্ৰথম ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ দ্বিতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৱৰ্তী বছৰত ( ২০১৭-১৮)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। | ৪২,০০০/- |
| ২০১৯-২০* | এপ্ৰিল-জুন মাহত ৫ হেক্টৰ মাটি (তৃতীয় ডোখৰ) ৰোপণৰ বাবে প্ৰস্তুত কৰণৰ আৰু ৰোপণ। প্ৰথম বছৰৰ ৰক্ষণাবেক্ষণ আৰু চাৰিবাৰকৈ অপতৃণ নিৰণিৰ লগতে পৰৱৰ্তী বছৰত ৰোপণৰ বাবে চতুৰ্থ ডোখৰ ৫ হেক্টৰ মাটি প্ৰস্তুত কৰিবলৈ অগ্ৰীম কাম-কাজ। ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ৪২০ জন দিন মজুৰৰ নিযুক্তি। | ১,১৭,৬০০/- |
| | প্ৰথম ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ তৃতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৱৰ্তী বছৰত ( ২০১৭-১৮)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| | দ্বিতীয় ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ তৃতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৱৰ্তী বছৰত ( ২০১৮-১৯)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। | ৪২,০০০/- |
| ২০২০-২১* | এপ্ৰিল-জুন মাহত ৫ হেক্টৰ মাটি (চতুৰ্থ ডোখৰ) ৰোপণৰ বাবে প্ৰস্তুত কৰণৰ আৰু ৰোপণ। প্ৰথম বছৰৰ ৰক্ষণাবেক্ষণ আৰু চাৰিবাৰকৈ অপতৃণ নিৰণি। ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ৩০০জন দিন মজুৰৰ নিযুক্তি। | ৪২,০০০/- |

| | | |
|---|---|---|
| ২০২০-২১* | প্ৰথম ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ চতুৰ্থ বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৭-১৮)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| | দ্বিতীয় ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ তৃতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৮-১৯)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| | তৃতীয় ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ দ্বিতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৯-২০)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। | ৪২,০০০/- |
| ২০২১-২২* | দ্বিতীয় ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ চতুৰ্থ বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৮-১৯)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| | তৃতীয় ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ দ্বিতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৯-২০)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| | চতুৰ্থ ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ দ্বিতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০২০-২১)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। | ৪২,০০০/- |
| | তৃতীয় ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ চতুৰ্থ বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৯-২০)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| ২০২২-২৩* | চতুৰ্থ ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ তৃতীয় বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৯-২০)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| | ২০১৭-১৮ বৰ্ষত ৰোপিত প্ৰথম ডোখৰ ৫ হেক্টৰ মাটিত ঘাঁহ-বন আঁতৰোৱা। ইয়াৰ বাবে ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ১০জন দিন মজুৰৰ নিযুক্তি | ১৪,০০০/- |
| ২০২৩-২৪* | চতুৰ্থ ডোখৰ ৫ হেক্টৰ মাটিত ৰোপিত গছ পুলিৰ চতুৰ্থ বছৰৰ ৰক্ষণাবেক্ষণ আৰু পূবৰৰ্তী বছৰত ( ২০১৯-২০)ৰ ৰোপণ কৰা মৃত / অৰ্ধমৃত পুলিবোৰ আঁতৰাই সেই ঠাইত নতুন ৰোপণসহ চাৰিবাৰকৈ অপতৃণ নিৰণি। অগ্নিকাণ্ড ৰোধৰ বাবে পহৰাৰ ব্যৱস্থা | ৪২,০০০/- |
| | ২০১৮-১৯ বৰ্ষত ৰোপিত দ্বিতীয় ডোখৰ ৫ হেক্টৰ মাটিত ঘাঁহ-বন আঁতৰোৱা। ইয়াৰ বাবে ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ১০জন দিন মজুৰৰ নিযুক্তি | ১৪,০০০/- |

| | | |
|---|---|---|
| ২০২৪-২৫* | ২০১৯-২০ বৰ্ষত ৰোপিত তৃতীয় ডোখৰ ৫ হেক্টৰ মাটিত ঘাঁহ-বন আঁতৰোৱা। ইয়াৰ বাবে ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ১০জন দিন মজুৰৰ নিযুক্তি | ১৪,০০০/- |
| ২০২৫-২৬* | ২০২০-২১ বৰ্ষত ৰোপিত চতুৰ্থ ডোখৰ ৫ হেক্টৰ মাটিত ঘাঁহ-বন আঁতৰোৱা। ইয়াৰ বাবে ২৮০ টকাকৈ দৈনিক মজুৰিৰ ভিত্তিত ১০জন দিন মজুৰৰ নিযুক্তি | ১৪,০০০/- |
| | **মুঠ আৰশ্যকীয় বাজেট** | **১০,৭০,৪০০/-** |

* ৰোপণৰ পৰৱৰ্তী কালত পাঁচ বছৰৰ মূৰে মূৰে ঘাঁহ-বন আঁতৰোৱাৰ কাম।

**মিশ্ৰ বৃক্ষৰোপণ- সহযোগী গছ পুলিৰ লগত চেগুন, খৰিৰ বাবে ব্যৱহাৰ কৰা গছ আৰু বাঁহৰ ব্লক ৰোপণৰ কৰ্ম আঁচনি**

| | | |
|---|---|---|
| ৰোপণৰ নাম | ঃ | মিশ্ৰ গছ পুলিৰ লগত চেগুন, খৰিৰ বাবে ব্যৱহাৰ কৰা গছ আৰু বাঁহৰ ব্লক ৰোপণ |
